# হাজো সুৰেন দাস মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা

## প্ৰতিযোগিতামূলক বিশ্বত নিজক প্ৰতিষ্ঠা কৰিবলৈ হ'লে অধ্যয়ন অতি প্ৰয়োজন ঃ চৌধুৰী

আমাৰ বিশেষ খবৰ, হাজো, ১৫ ছেপ্টেম্বৰ ঃ প্ৰতিযোগিতামূলক বিশ্বত নিজক প্ৰতিষ্ঠা কৰিবলৈ হ'লে অধ্যয়ন কৰাটো অতি প্ৰয়োজন। নিজৰ মনটোক নিয়ন্ত্ৰণ কৰিব পাৰিলেহে জীৱনত সফলতা লাভ কৰিব পাৰি।— এই মন্তব্য ড° ববিতা চৌধুৰীৰ। হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভা উপলক্ষে অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথিৰ ভাষণত আৰ জি বৰুৱা কলেজৰ অধ্যক্ষা ড° ববিতা চৌধুৰীয়ে এনেদৰে কয়। ড° হিৰণ্য কুমাৰ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত ড° চৌধুৰীয়ে ভাষণ প্ৰসংগত কয় ঃ কলেজীয়া জীৱনত শিক্ষক-শিক্ষয়িত্ৰীসকলেই হৈছে শিক্ষাৰ্থী সমাজৰ পথ প্ৰদৰ্শক। এই সভাতে সাংবাদিক অনুপম চক্ৰৱৰ্তী উপস্থিত থাকে। সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক প্ৰকাশ চন্দ্ৰ দাসে সন্মানীয় অতিথিৰ আসন গ্ৰহণ কৰি কয় ঃ জাতি এটাক আগুৱাই নিবলৈ হ'লে শিক্ষাৰ ক্ষেত্ৰত মনোনিৱেশ কৰিব লাগিব। ভাষা অবিহনে কেতিয়াও জাতি এটা জীয়াই নাথাকে। সেয়ে নিজৰ ভাষা সমৃদ্ধিশালী কৰি গঢ়িবলৈ হ'লে শিক্ষাৰ্থী সমাজে নিজৰ ভাষাৰ জ্ঞান ভালদৰে উপলব্ধি কৰিব লাগিব। সম্প্ৰতি একাংশ শিক্ষাৰ্থীক মাত্ৰ নম্বৰৰ পাছত দৌৰাহে পৰিলক্ষিত হৈছে। এইসকল শিক্ষাৰ্থীৰ পৰা সমাজে আশা নকৰাই ভাল। এই সভাতে মহাবিদ্যালয়ৰ ছাত্ৰ কল্যাণ কোষৰ দ্বাৰা অনুষ্ঠিত 'জাতীয় সংহতি আৰু সমাজ গঠনত ছাত্ৰ-ছাত্ৰীৰ ভূমিকা' শীৰ্ষক ৰচনা প্ৰতিযোগিতাৰ স্থানপ্ৰাপ্ত ইমৰাণ হক চৌধুৰী, শিখৰজ্যোতি দাস আৰু ভূমিকা কুমাৰক বঁটা প্ৰদান কৰাৰ লগতে এই বেলি উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত বুৰঞ্জী বিষয়ত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ মহাবিদ্যালয়খনৰ ছাত্ৰ জেহেৰুল ইছলামক অভিনন্দন জনায়। ইপিনে পুৱাৰ ভাগত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ হিৰণ্য কুমাৰ শৰ্মাই, শ্বহীদ তৰ্পণ কৰে হাজো আছুৰ উপ-সভাপতি পাৰ্থপ্ৰতীম ৰাজবংশী আৰু আছুৰ পতাকা উত্তোলন কৰে হাজো আছুৰ সভাপতি নৱজ্যোতি দাসে। ইয়াৰ পাছতে অধ্যাপিকা ড° অঞ্জনা শৰ্মাই উদ্বোধন কৰা আৰু ড° বিনীতা দাস, পৰশমণি কলিতাই পৰিচালনা কৰা মুকলি চ'ৰাত মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে গীত-মাত পৰিৱেশন কৰে।

# ...ৰ্যসূচীৰে হিন্দী দিৱস উদযাপন

...শন কৰা আৰম্ভণি গীতেৰে ডেকা, কংকনা নাথ, সোণতৰা ৰাজবংশী, সীমা

